**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং – ২৮৮**

**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

বিষয়ঃ **টংলা সমষ্টিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ প্ৰস্তাৱিত কামসমূহৰ সম্পৰ্কে ।**

শ্ৰীবিকন চন্দ্ৰ ডেকাঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) টংলা আৰু কলাইগাঁৱত প্ৰস্তাৱিত ক্ৰীড়া ষ্টেডিয়ামসমূহৰ বৰ্তমান অৱস্থা কি ? অনুমোদিত ধনৰ বিৱৰণ, ব্যয় আৰু কেতিয়া সম্পূৰ্ণ হ'ব ? জনাব।

(খ) চৰকাৰে জগন্নাথ কমিউনিটি স্কিল চেন্টাৰত দক্ষতা বিকাশ কাৰ্য্যসূচী আৰম্ভ কৰাৰ প্ৰস্তাৱ ৰাখিছে নেকি ? যদি ৰাখিছে, তেন্তে কেতিয়া আৰম্ভ হ'ব আৰু প্ৰদান কৰা পাঠ্যক্ৰমসমূহৰ বিষয়ে জনাব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীবিশ্বজিৎ দৈমাৰী** মহোদয়ে উত্তৰ দিবঃ

(ক) লোকনিৰ্মাণ বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, ২০২৩ বৰ্ষৰ অনুমোদন মৰ্মে, টংলা বিধানসভা সমষ্টিত SOPD শিতানত মুঠ ১১,৮৩,৫২,০০০.০০ টকা প্ৰকল্প ব্যয়েৰে "Construction of Mini Stadium at Khairabari" আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে। উল্লেখযোগ্য যে, নিবিদাৰ জৰিয়তে ষ্টেডিয়াম নিৰ্মাণৰ কামটো ১০,৮৭,০৫,০০০.০০ টকাত ঠিকাদাৰক প্ৰদান কৰা হৈছে, আৰু সম্প্ৰতি ৮,৩০,০১,০০০.০০ টকা ব্যয় কৰা হৈছে। উক্ত ষ্টেডিয়ামখনৰ নিৰ্মাণৰ কামৰ কায়িক অগ্ৰগতি ৯৪ শতাংশ, আৰু চলিত বৰ্ষৰ আগষ্ট মাহত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ব। ইয়াত Gallery, Indoor Stadium, Internal Road, আদি সুবিধা উপলভ্য।

উল্লেখযোগ্য যে, সমষ্টিসমূহৰ সীমা পুনৰ নিৰ্ধাৰণৰ ফলত উল্লেখিত ষ্টেডিয়ামখন বৰ্ত্তমান ভেৰগাঁও সমষ্টিৰ অধীনলৈ গৈছে।

তাৰোপৰি, টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত কলাইগাঁওত বৰ্তমানলৈ ক্ৰীড়া আন্তঃগাঁঠনি নিৰ্মাণ সম্বন্ধিত কোনো প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰা নাই। আগন্তক ৫ বছৰত চৰকাৰে অসমৰ প্ৰতিটো বিধানসভা সমষ্টি/ব্লক পৰ্যায়ত এটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা কৰি থকা হৈছে।

(খ) এই বিষয়টো অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আওটাত নপৰে।